জুৰীয়াত দুষ্কৃতিকাৰীৰ তাণ্ডৱ ঃ কালী

তিনি পৃষ্ঠাৰ পৰা পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। অঞ্চলটোৰ শান্তি-সম্প্ৰীতি বিনষ্ট কৰিবলৈ চেষ্টা চলোৱা এনে অপশক্তিক কম সময়ৰ ভিতৰতে চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই ৰাইজক অৱগত কৰাত ৰাইজ ক্ষান্ত হয় যদিও অঞ্চলটোত চেপা উত্তেজনা অব্যাহত আছে। পাছত নগাঁও আৰক্ষীৰ উচ্চ পদস্থ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ দোষীক অতি শীঘ্ৰে আটক কৰা হ'ব বুলি অৱগত কৰি ৰাইজক শান্তি-শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনায়।

দক্ষিণ কলাবাৰী উচ্চতৰ মাধ্যমিক

তিনি পৃষ্ঠাৰ পৰা লয়। আজি দুপৰীয়া বৰাৰ নশ্বৰদেহ আহি দক্ষিণ কলাবাৰী পোৱাৰ লগে লগে বহু গুণমুগ্ধই প্ৰিয় ব্যক্তিজনৰ নশ্বৰদেহত শেষ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। আনহাতে, দক্ষিণ কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদতো এক শোকাকুল পৰিৱেশত বিদ্যালয়খনৰ পৰিয়াল বৰ্গই প্ৰয়াত অধ্যক্ষজনৰ নশ্বৰদেহত অন্তিম শ্ৰদ্ধাঞ্জলি জনায়। নিষ্ঠা আৰু আন্তৰিকতাৰে শিক্ষকতা কৰি অহাৰ লগতে বৃহত্তৰ দক্ষিণ কলাবাৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সমাজৰ প্ৰতি সেৱা আগবঢ়াই অহা বৰাৰ অকাল বিয়োগত গহপুৰ মহকুমা ছাত্ৰ সন্থাৰ পূৱ ছয়দুৱাৰ আঞ্চলিক ছাত্ৰ সন্থা, দক্ষিণ কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দক্ষিণ কলাবাৰী শংকৰদেৱ শিশু নিকেতনৰ পৰিয়ালবৰ্গ, দক্ষিণ কলাবাৰী ব্যৱসায়ী সন্থাৰ লগতে বিভিন্ন ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত অধ্যক্ষ বৰাই পত্নী, এজন পুত্ৰ, দুই ভ্ৰাতৃসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

ষট্ পূজাত অংশগ্ৰহণ মুখ্যমন্ত্ৰী

তিনি পৃষ্ঠাৰ পৰা বিশিষ্ট বৰঙণি আগবঢ়াই আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখন প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদত চহকী এখন ৰাজ্য। সেয়ে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীৰ সম-উন্নয়ন আৰু সকলো অঞ্চলৰে সম-উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদানেৰে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰা বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ষট্ পূজা উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰি এই ষট্ পূজাৰ পৱিত্ৰ ক্ষণত ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়নৰ হকে সকলোকে ঐক্যবদ্ধভাৱে কৰ্মত ব্ৰতী হোৱাৰ বাবেও মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়। আজিৰ অনুষ্ঠানত বিধায়ক অশোক সিংহাল, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষিকেশ গোস্বামী, আইন উপদেষ্টা শান্তনু ভৰালী, আছাম ষ্টেট হাউছিং ক'ৰ্পোৰেছনৰ অধ্যক্ষ যাদৱ ডেকা আৰু পূৰ্বোত্তৰ হিন্দুস্তানী যুৱক সমাজৰ কে জয়ছোৱাল, বি কে সিং আদি উপস্থিত থাকে।

যোৰহাটত নৱজাতকৰ মৃত্যুক লৈ

তিনি পৃষ্ঠাৰ পৰা এটা উচ্চস্তৰীয় দল তদন্তৰ বাবে আহিছে। স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিন্হাৰ নেতৃত্বত অহা দলটোত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ কাৰ্যবাহী সঞ্চালক ডাঃ অচ্যুত চন্দ্ৰ বৈশ্য, স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰথীন ভূএগ আৰু স্বাস্থ্য শিক্ষা সঞ্চালক ডাঃ অনুপ বৰ্মন আছে। পাছত দলটোৱে যোৰহাট আৰ্তৰ ভৱনত ঘটনা সম্পৰ্কত যুটীয়া স্বাস্থ্য সঞ্চালক, জে এম চি এইছৰ অধ্যক্ষ, অধীক্ষকৰ উপৰি যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু মাজুলীৰ উপায়ুক্তসকলৰ স'তে আলোচনাত মিলিত হয়। এই আলোচনাৰ বিষয়ে কৰ্তৃপক্ষই তথ্য সদৰী কৰা নাই। অৱশ্যে এক সূত্ৰই জনোৱা মতে, উচ্চস্তৰীয় দলটোৱে আলোচনাকালত জে এম চি এইছত নৱজাতকৰ বাবে কেনে ধৰণৰ সুবিধা আছে, তাৰ বিষয়ে আলোচনা কৰে।

লক্ষ্যণীয় যে জে এম চি এইছৰ অধীক্ষক ডাঃ সৌৰভ বৰকটকীয়ে পূৰ্বে প্ৰকাশ কৰা তথ্য অনুসৰি প্ৰসূতিৰ বাবে চিকিৎসা মহাবিদ্যালয় হাস্পতালখনত উপযুক্ত আন্তঃগাঁথনি নাই। প্ৰসূতি কক্ষত ৪০খন বিছনা থকাৰ বিপৰীতে এই দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হোৱাৰ সময়ত ৮০গৰাকীৰো অধিক সন্তানসম্ভৱা চিকিৎসাৰ বাবে ভৰ্তি হৈছিল।

পৰেশ বৰুৱালৈ এগৰাকী অসহায়

তিনি পৃষ্ঠাৰ পৰা যুৱকজনৰ মাতৃ গীতা ডেকাই আজি সাংবাদিকৰ আগত এনেদৰে বিননি জোৰে। আলফা (স্বাধীন)ৰ মুৰব্বী পৰেশ বৰুৱাক পুত্ৰক ঘূৰাই পঠিয়াবলৈ কান্দি কান্দি অনুৰোধ জনাইছে মহিলাগৰাকীয়ে। আলফা (স্বাধীন)ৰ সেনাধ্যক্ষলৈ এই কাতৰ অনুৰোধ জনাই ডেকাই কয়, 'মোৰ পুত্ৰ জীয়াই আছে নে নাই, পৰেশ বৰুৱাই নিশ্চিত কৰক। তাক সোঁশৰীৰে আমাৰ ওচৰলৈ ঘূৰাই পঠিয়াক।'

উল্লেখ্য যে যোৱা ১৯ ছেপ্টেম্বৰৰ পৰা হৰিশিঙাৰ আমলাগুৰি গাঁৰৰ জয়ন্ত নিৰুদ্দেশ হৈ আছে। তেওঁৰ স'তে নাহৰবাৰী গাঁৰৰ শশাংক নাথ আৰু ধনজিৎ ডেকা নামৰ যুৱকদ্বয়েও আলফা (স্বাধীন)ত যোগদান কৰা বুলি সন্দেহ কৰা হৈছে। জয়ন্তৰ পৰিয়ালৰ লোকে প্ৰকাশ কৰা অনুসৰি যোৱা দুই নৱেম্বৰত আৰক্ষীৰ জালত পৰা আলফাৰ যোগাযোগকাৰীদ্বয় বলেন ডেকা আৰু ডিম্বেশ্বৰ ডেকাৰ স'তে জয়ন্তৰ সম্পৰ্ক আছিল। ইতিমধ্যে বলেন আৰু ডিম্বেশ্বৰে জয়ন্ত, শশাংক আৰু ধনজিতক আলফা (স্বাধীন)লৈ প্ৰেৰণ কৰা বুলি আৰক্ষীৰ জেৰাত প্ৰকাশ কৰিছে। জয়ন্তৰ পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, বলেন ডেকা ছাত্ৰ নেতা। সেইসূত্ৰে তেওঁ জয়ন্তৰ স'তে সম্পৰ্ক ৰক্ষা কৰা বুলি পৰিয়ালৰ লোকে প্ৰথমে ধাৰণা কৰিছিল। জয়ন্তই উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ অধ্যয়ন কৰিছিল।

নগাঁও-কাছাৰ কাগজ কল

তিনি পৃষ্ঠাৰ পৰা অহা ২২ নৱেম্বৰত মধ্য অসম বন্ধৰ আহ্বান জনোৱা হৈছে।' অনিচ্ছা সত্ত্বেও বন্ধৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ চৰম অমনোযোগিতা আৰু অনীহাৰ বাবে নগাঁও আৰু কাছাৰ কাগজ কল দুটাই তিল্‌তিল্‌কৈ মৃত্যুমুখলৈ আগবাঢ়িছে। অথচ জাতি, মাটি, ভেটি ৰক্ষাৰ শ্ল'গান দিয়া চৰকাৰখনে ৰাষ্ট্ৰীয় শিল্প দুটাক চিৰদিনৰ বাবে বন্ধ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। এই ষড়যন্ত্ৰৰ প্ৰতিবাদতে মধ্য অসম বন্ধ আহ্বান জনোৱা বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে নগাঁও আৰু কাছাৰ কাগজ কলৰ পৰাই এসময়ত দেশৰ মুঠ উৎপাদনৰ ৫০ শতাংশৰো অধিক কাগজ উৎপাদন হৈছিল। অথচ এই কাগজ কল দুটা পুনৰুজ্জীৱিতকৰণৰ নামত দুয়োখন চৰকাৰে ভেঁকোভাওনা কৰিছে। ইয়াৰ বিপৰীতে মধ্যপ্ৰদেশৰ নেপা কাগজ কল পুনৰুজ্জীৱিতকৰণৰ বাবে যোৱা ৩০ অক্টোবৰত ৪৬৯ কোটি টকাৰ অনুমোদন জনায় কেন্দ্ৰীয় চৰকাৰে। মধ্যপ্ৰদেশৰ কাগজ কলৰ বাবে যদি অনুদান আগবঢ়াব পাৰে প্ৰায় দুই লাখৰো অধিক কৰ্মচাৰীৰ জীৱন আৰু জীৱিকা জড়িত হৈ থকা নগাঁও আৰু কাছাৰ কাগজ কলৰ পুনৰুজ্জীৱিতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুদান আগবঢ়াব নোৱাৰাৰ প্ৰশ্নই থাকিব নোৱাৰে বুলি মন্তব্য কৰে একচন কমিটীৰ অন্যতম আহ্বায়ক তথা সদৌ অসম ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক আদিত্য খাখলাৰীয়ে। উভয় চৰকাৰৰ সদিচ্ছাৰ অভাৱৰ বাবে ৰাষ্ট্ৰীয় শিল্প দুটা মৃত্যুমুখী হোৱা বুলি উল্লেখ কৰি খাখলাৰীয়ে কয়, 'নিবনুৱা সমস্যা সমাধানৰ বাবে ৭০ৰ দশকত স্থাপন কৰা কাগজ কল দুটাই ১৯৮৫ৰ পৰা বাণিজ্যিকভাৱে কাগজ উৎপাদন কৰাই সফলো হয়; যাৰ বাবে ২০০৭ত 'মিনিৰত্ন'ৰ স্বীকৃতি লাভ কৰে। অথচ ব্যক্তিগতকৰণৰ স্বাৰ্থত কাগজ কল দুটা বন্ধৰ ষড়যন্ত্ৰৰে ৰাজ্যত পুনৰ নিবনুৱা সমস্যাক ভয়াৱহ ৰূপ দিব বিচৰা হৈছে। এই কাৰ্য কোনো কাৰণতে সমৰ্থনযোগ্য নহয়।' ৰাজ্যৰ দুয়োটা কাগজ কল ব্যক্তিগতকৰণ কৰিব দিয়া নহয় বুলি স্পষ্ট কৰি দি তেওঁ পুনৰ কয় যে মাহৰ পাছত মাহ ধৰি কাগজ দল দুটাৰ কৰ্মচাৰীসকলক প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত কৰি এক পৰিৱেশ সূচনা কৰিব বিচাৰিছে। ইয়াৰ জৰিয়তে চৰকাৰে কিছু সফলো হৈছে; যাৰ ফলত চিকিৎসা অবিহনে মৃত্যুমুখত পৰিছে ৩৬ হেজাৰৰো অধিক কৰ্মচাৰী। লগতে কৰ্মচাৰীসকলৰ সন্তানৰ আধৰুৱা হৈছে শিক্ষা। কিন্তু এনে ষড়যন্ত্ৰৰে কাগজ কল দুটা বন্ধ কৰিব বিচৰা কাৰ্যক প্ৰতিহত কৰাৰ বাবে সকলোকে ঐক্যবদ্ধ হ'বলৈ তেওঁ আহ্বান জনায়। অনুৰূপ দাবীৰ সমৰ্থনত ইতিপূৰ্বে ধৰ্ণা, অৱস্থান ধৰ্মঘট, মানৱ শৃংখলাকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা বুলিও তেওঁ কয়। আজিৰ সংবাদমেলত সদৌ অসম ট্ৰাইবেল ইয়ুথ লীগৰ সভাপতি ৰিমল আমচি, তিৱা ছাত্ৰ সন্থাৰ সভাপতি দ্বীপেন মছৰং, এ জে ৱাই চি পিৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ললিত পাচনী, কৃষক মুক্তিৰ মৰিগাঁও জিলা সমিতিৰ আহ্বায়ক বদন শৰ্মা, আক্ৰাছুৰ আহ্বায়ক হেমন্ত ডেকা আদিয়েও বক্তব্য দাঙি ধৰে।

অৰুণাচলৰ ধনদাবী অপহৰণ কাণ্ড

তিনি পৃষ্ঠাৰ পৰা উচিত। অন্যথা অৰুণাচল প্ৰদেশৰে থকা অসমৰ ভ্ৰাতৃত্ববোধৰ সম্পৰ্কত ব্যাঘাত জন্মিব।' এই মন্তব্য আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াৰ। আজি ইয়াত এক সংবাদমেলত আলফা (স্বাধীন)লৈ মুকলি আহ্বান জনাই তেওঁ কয়, 'অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত আলফা (স্বাধীন)ৰ নামত ধন দাবী কৰাৰ বাতৰি প্ৰকাশ পোৱাই নহয়, অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মিনৰ পত্নী ছতি মিন মালিকানাধীন চাহ বাগিচাৰ প্ৰবন্ধক দেবব্ৰত দেক দাবী কৰা ধন আদায় নিদিয়াৰ বাবে অপহৰণ কৰা হৈছে। এই কাৰ্য আলফা (স্বাধীন) ই কৰা বুলি ৰাজ্যখনত প্ৰচাৰ হৈছে। গতিকে এই ক্ষেত্ৰত আলফা (স্বাধীন)ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই অতি শীঘ্ৰেই স্থিতি স্পষ্ট কৰা উচিত। অন্যথা অৰুণাচল প্ৰদেশৰে অসমৰ ভ্ৰাতৃত্ববোধৰ সম্পৰ্কত ব্যাঘাত জন্মাৰ আশংকাক নুই কৰিব নোৱাৰি।' এই ক্ষেত্ৰত তৃতীয় পক্ষ জড়িত থকাৰ সন্দেহ ব্যক্ত কৰি তেওঁ কয় যে আলফা (স্বাধীন)ৰ নাম লৈ তৃতীয় পক্ষয়ো এনে নিকৃষ্ট কাণ্ড সংঘটিত কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। সেইবাবেই পৰেশ বৰুৱাই এই ক্ষেত্ৰত স্থিতি স্পষ্ট কৰিব লাগে। লগতে অপহৃত প্ৰবন্ধক দেবব্ৰত দেক বিনাচৰ্তে মুকলি কৰি দিয়াৰো তেওঁ আহ্বান জনায়।

ইফালে, আলফা (স্বাধীন)ৰ নাম লৈ সংগঠনৰ পৰা খেদা খোৱা ভাস্কৰ বৰাৰ নেতৃত্বত এই কুকাৰ্য সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে আলফা নেতা প্ৰবাল নেওগে। আলফাৰ ইতিহাসত এয়া নজিৰবিহীন ঘটনা বুলি উল্লেখ কৰি নেওগে কয়, 'সংগঠন বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত ইতিমধ্যে মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই আলফা (স্বাধীন)ৰ কেডাৰ ভাস্কৰ বৰাকে ধৰি কে'বাজনৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। গতিকে ভাস্কৰ বৰাৰ নেতৃত্বত থকা ছয়-সাতজনীয়া দলটোৱে অৰুণাচলত ধন দাবীৰ লগতে অপহৰণ কৰিব পাৰে। বিগত কিছুদিন ধৰি অৰুণাচলৰ নামচাই অঞ্চলত এই দলটো বিচৰণ কৰাৰ তথ্য আছে। এই তথ্য আৰক্ষীৰ অনুসন্ধানৰ পাছত অধিক স্পষ্ট হ'ব। কিন্তু জন্মলগ্নৰ পৰা আলফাই ইয়াৰ আগেয়ে অৰুণাচলত ধন দাবী কৰা নাই। ই নজিৰবিহীন ঘটনাৰূপে চিহ্নিত হৈছে।' অৰুণাচলৰ খামতি আৰু চিংফৌ জনগোষ্ঠীৰ লোকলৈ আলফা (স্বাধীন)ৰ নামত ধন দাবী পত্ৰ প্ৰেৰণ কৰা বুলি উল্লেখ কৰি নেওগে কয় যে শেহতীয়া তথ্য অনুসৰি আৰক্ষীয়ে অভিযান চলাই কাকপথাৰ অঞ্চলৰ পৰা চাৰিশৰো অধিক আলফা (স্বাধীন)ৰ ধন দাবী পত্ৰ জব্দ কৰে। পলাতক আলফা ভাস্কৰ বৰাৰো ঘৰ কাকপথাৰ অঞ্চলত। বিগত কিছুদিনৰ পৰা ভাস্কৰ বৰাসহ ছয়-সাতজনীয়া দলটোৱে অৰুণাচলৰ চাংলা আৰু পাটকাই জিলাত বিচৰণ কৰাৰ তথ্য আছে। উক্ত অঞ্চলৰ খামতি আৰু চিংফৌ জনগোষ্ঠীয় লোকলৈও আলফা (স্বাধীন)ৰ নামত ধন দাবী পত্ৰ প্ৰেৰণ কৰা হৈছে। এই প্ৰক্ৰিয়াই দুয়োখন ৰাজ্যৰ মাজত থকা সম্পৰ্ক বিঘ্নিত কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিততে শীঘ্ৰেই মুখ্য সেনাধ্যক্ষক অৰুণাচলৰ ধন দাবী আৰু অপহৰণ কাণ্ড সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ নেওগে আহ্বান জনায়।

ভূটান নিৰুদ্দিষ্টৰ সন্ধানত শীঘ্ৰেই অভিযান

'অপাৰেচন অলক্লিয়াৰ'ৰ সময়ত চুবুৰীয়া ৰাষ্ট্ৰ ভূটানত নিৰুদ্দিষ্ট আলফা নেতা-সদস্যৰ সন্ধানত শীঘ্ৰেই অভিযান আৰম্ভ কৰিব আলফাই। ইয়াৰ বাবে গুৱাহাটীস্থ ভূটানৰ ৰাষ্ট্ৰদূতক শীঘ্ৰেই সাক্ষাৎ কৰিব বুলি উল্লেখ কৰে আলফাৰ সাধাৰণ সম্পাদক চেতিয়াই। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰেও সহযোগ আগবঢ়োৱাৰ আশ্বাস দিয়া বুলি সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত তেওঁ কয়। লগতে ২০১৬ৰ নাগৰিকত্ব আইন সংশোধনী বিধেয়কক কেন্দ্ৰ কৰি ৰাজ্যত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত শদিয়াৰ পৰা ধুবুৰীলৈকে বিভিন্ন প্ৰান্তৰ যুৱক-যুৱতীয়ে আলফা, কে এল অ'লৈ যোৱা বুলিও চেতিয়াই আন এক প্ৰশ্নৰ উত্তৰত উল্লেখ কৰে।

সংকল্প যাত্ৰাৰ দল দিছপুৰ অভিমুখে যাত্ৰা

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ১৩ নৱেম্বৰ ঃ নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি ৭০ টা সংগঠনে উলিওৱা সংকল্প যাত্ৰাৰ আজি তৃতীয় দিনা মটৰ চাইকেল সমদল যোৰহাট অতিক্ৰমি গুৱাহাটী অভিমুখে যাত্ৰা কৰে। আজি যোৰহাটৰ পৰা এটা দলে সংকল্প যাত্ৰাৰ সমদলকাৰীসকলক জাঁজীৰ পৰা আগবঢ়াই আনেগৈ আৰু যোৰহাট জিলাৰ সীমান্ত দেৰগাঁও পৰ্যন্ত আগবঢ়াই থৈ আহেগৈ। দলটোত প্ৰায় ৭০০ খন মটৰ চাইকেল আছে। আজি দলটো বোকাখাতত জিৰণি ল'ব আৰু কাইলৈ পুনৰ দিছপুৰ অভিমুখে ৰাওনা হ'ব।

ধৰ্মপ্ৰাণা মহিলা বীণাপাণি দাসৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ১৩ নৱেম্বৰ ঃ শুৱালকুছি পুখুৰীপাৰা কলেজ ৰোডৰ সৰবৰহী ধৰ্মপ্ৰাণা মহিলা বীণাপাণি দাস (৮৬)ৰ আজি পুৱা নিজ বাসগৃহত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি মহিলাগৰাকী বাৰ্ধক্যজনিত কাৰণত শয্যাগত হৈ আছিল। মহিলাগৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাত ইষ্ট-কুটুম্বই ভিৰ কৰি শেষশ্ৰদ্ধা জ্ঞাপন কৰে। পাছত ব্ৰহ্মপুত্ৰৰ বালিচৰত নিয়ম অনুসাৰে কাষ্ঠসংস্কাৰ সম্পন্ন কৰে। মৃত্যুৰ সময়ত দাসে দুজন পুত্ৰ আৰু চাৰি কন্যাৰ লগতে পৰিয়াল বৰ্গক ইহ সংসাৰত এৰি যায়। উল্লেখ্য যে প্ৰয়াত দাস শুৱালকুছি বেজেপি মণ্ডলৰ সভাপতি দুলু দাসৰ মাতৃ।

অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকৰ মৃত্যুত শোক

বিশেষ সংবাদদাতা

নগাঁও, ১৩ নৱেম্বৰ ঃ নগাঁও জিলাৰ কলিয়াবৰৰ মিছা পানীগাঁৰৰ নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক ডম্বৰুধৰ মেধিয়ে আজি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। বাৰ্ধক্যজনিত ৰোগত ৮৩ বছৰ বয়সত মৃত্যু হয় মেধিৰ। সুদক্ষ অভিনেতা, সমাজ সংগঠক তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকজনৰ মৃত্যুত শোকৰ ছাঁ পৰিছে কলিয়াবৰত। মেধিৰ নশ্বৰ দেহ মিছা পানীগাঁৰৰ নিজ বাসগৃহলৈ অনাৰ পাছতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে তেওঁলৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনি পুত্ৰ আৰু দুই জীয়ৰীক ইহ সংসাৰত এৰি থৈ গৈছে।

সোঁতৰ বিপৰীতে


মন বেয়া নকৰিব, ভাল কাম কৰিলেও বিৰোধী পক্ষই সমালোচনা কৰাটো সমগ্ৰ বিশ্বৰেই এটা সাৰ্বজনীন চৰিত্ৰ !!
GOVT OF ASSAM

সন্তানৰ চিকিৎসাৰ বাবে চৌৰ্যবৃত্তিত লিপ্ত

শৰীৰত অগ্নিসংযোগ কৰা মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

উত্তৰ গুৱাহাটী, ১৩ নৱেম্বৰ ঃ ৰাজহুৱা স্থানত অপদস্থ হৈ শৰীৰত অগ্নিসংযোগ কৰা উত্তৰ গুৱাহাটীৰ এগৰাকী মহিলাৰ আজি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। সন্তানৰ চিকিৎসাৰ বাবে ধন সংগ্ৰহ কৰিব নোৱাৰি উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰৰ ৰঞ্জুমা ডেকা নামৰ মহিলাগৰাকীয়ে কালি এজন আত্মীয়ৰ গৃহৰ পৰা এটা ম'বাইল ফোন চুৰি কৰিছিল। কিন্তু ম'বাইলৰ গৰাকীয়ে তেওঁক সন্তানৰ বিদ্যালয়ৰ চৌহদতে ৰাজহুৱাকৈ অপদস্থ কৰে। ইয়াৰ পাছতে অপমানত দগ্ধ হৈ মহিলাগৰাকীয়ে নিজ গৃহলৈ আহি নিজৰ ভুল স্বীকাৰ কৰাৰ লগতে চুৰিকাৰ্যত লিপ্ত হ'বলৈ বাধ্য হোৱাৰ কাৰণ উল্লেখ কৰি এখন পত্ৰ লিখি জ্যেষ্ঠা কন্যাৰ হাতত দি শৰীৰত কেৰাচিন ঢালি আত্মজাহৰ অপচেষ্টা চলায়। অৱশ্যে মহিলাগৰাকীৰ শৰীৰৰ পৰা জুই নিৰ্বাপিত কৰি স্থানীয় লোকে নাৰায়না হাস্পতালত ভৰ্তি কৰায়। অৱশ্যে শৰীৰৰ প্ৰায় ৮০ শতাংশ দগ্ধ হোৱা মহিলাগৰাকীৰ অৱস্থা সংকটজনক হোৱাত চিকিৎসকে তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। কিন্তু আজি চিকিৎসাধীন অৱস্থাতে মহিলাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। ইপিনে, সমগ্ৰ ঘটনাত আৰক্ষীৰ ভূমিকা সন্তোষজনক নহয় বুলি স্থানীয় লোকে অভিযোগ কৰিছে। ঘটনাটোৰ এটা দিন উকলি যোৱাৰ পাছতো উত্তৰ গুৱাহাটী আৰক্ষীয়ে কোনো তদন্ত আগবঢ়োৱা নাই। ইপিনে, মহিলাগৰাকীৰ মৃত্যুৰ বাতৰি সদৰী হোৱাৰ পাছতে স্থানীয় ৰাইজ আৰু উত্তৰ গুৱাহাটী সন্মিলিত নাৰী মঞ্চই ভুক্তভোগী ৰঞ্জুমাৰ স্বামী নন্দ ডেকাক লগত লৈ উত্তৰ গুৱাহাটী আৰক্ষী চকীত উপস্থিত হৈ মহিলাগৰাকীক অপদস্থ কৰাৰ অভিযোগ উত্থাপিত হোৱা গণেশ কলিতা, পিংকী মজুমদাৰ, ভনিতা দাস আৰু টুটু কলিতাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰি ন্যায়িক তদন্ত দাবী কৰে।

ড° প্ৰমোদ ভট্টাচাৰ্যৰ বিয়োগত গভীৰ শোক প্ৰকাশ

গুৱাহাটী, ১৩ নৱেম্বৰ ঃ বিশিষ্ট পণ্ডিত প্ৰবৰ, ভাষাবিদ, লোক-সংস্কৃতিৰ গৱেষক পণ্ডিত, ঐতিহাসিক, বি বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সাহিত্যাচাৰ্য ড° প্ৰমোদ ভট্টাচাৰ্যৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে ৰত্ন ওজাই। এক বিজ্ঞপ্তিত ওজাই কয় যে শৰীৰত বয়সৰ চাপে হেঁচা মাৰি ধৰাৰ পাছতো অসমৰ ভাষা-সাহিত্য, সমাজ-সংস্কৃতি, বিশেষকৈ বিদ্যায়তনিক ক্ষেত্ৰৰ স'তে নিষ্ঠা আৰু সততাৰে লাগি থকা এনে লোক হয়তো আমি কেতিয়াও নাপাম। অসাধাৰণ প্ৰতিভা আৰু বুদ্ধিমত্তাৰে অসমৰ বিভিন্ন জাতি, ধৰ্ম, সম্প্ৰদায়ৰ লোকৰ মাজত মিলনৰ সেতু গঢ়া, বড়ো ভাষাৰ বিজ্ঞানসন্মত দিশৰ বিকাশৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰৱচ্ছিন্ন সেৱা তথা অৱদান অসমৰ আকাশে-বতাহে সদায় ধ্বনিত-প্ৰতিধ্বনিত হৈ থাকিব বুলিও ওজাই মন্তব্য কৰে। ড° ভট্টাচাৰ্যৰ বিয়োগত ৰাজ্যখনৰ অপূৰণীয় ক্ষতি হ'ল বুলি উল্লেখ কৰি ওজাই সাহিত্যাচাৰ্যৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

ব্ৰহ্মপুত্ৰৰ মাজৰ শালমাৰা চৰত ভূমি বেদখল

গৰৈমাৰী, ১৩ নৱেম্বৰ ঃ কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ চৰাঞ্চলত একাংশ অচিনাকি লোকে নিশাৰ ভিতৰতে জুপুৰী সাজি প্ৰকৃত লোকৰ ভূমি বেদখলৰ অপচেষ্টা কৰা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি বেদখলকাৰীয়ে ভূমিৰ প্ৰকৃত গৰাকীক ভাবুকি প্ৰদানৰো অভিযোগ উত্থাপিত হৈছে। ইয়াৰ উপৰি এইসকল অচিনাকি লোকে নিজে সজা জুপুৰীত অগ্নিসংযোগ কৰি সংঘাত সৃষ্টিৰ অপচেষ্টা চলোৱাৰো অভিযোগ উঠিছে। স্থানীয় লোকে অভিযোগ কৰা মতে, গৰৈমাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত তথা শুৱালকুছি নদী আৰক্ষী থানাৰ অধীনস্থ ব্ৰহ্মপুত্ৰৰ মাজৰ শালমাৰা চৰত বিগত প্ৰায় এপষেক ধৰি একাংশ স্থানীয় লোকৰ সহযোগত কিছুমান অচিনাকি লোকে নিশাৰ ভিতৰতে কহুঁৱা বনৰ মাজে মাজে সৰু সৰু জুপুৰী সাজি প্ৰকৃত গৰাকীৰ ভূমি বেদখল কৰি আছে। এই বিষয়ে প্ৰশ্ন কৰা প্ৰকৃত ভূমিৰ গৰাকীক এইসকলে ভাবুকিও প্ৰদান কৰিছে। ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে স্থানীয় নুৰ বক্তাৰ আলী নামৰ লোকজনে শুৱালকুছি নদী আৰক্ষী আৰু গৰৈমাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অভিযোগ দাখিল কৰিছে।ইয়াৰ উপৰি চৰৰ বাসিন্দা আব্দুছ ছামাদ আৰু ছিদ্দিক আলীয়েও অবৈধ বেদখল সন্দৰ্ভত শুৱালকুছি নদী আৰক্ষীক এজাহাৰ দাখিল কৰিছে।

নিশাৰ ভিতৰতে গৃহ নিৰ্মাণ অচিনাক্ত লোকৰ

কংগ্ৰেছ এতিয়া অচল টকা

সাত পৃষ্ঠাৰ পৰা সমষ্টিৰ খুমটাই জিলা পৰিষদ সমষ্টিত মুনীন্দ্ৰ গগৈ, কঠালগুৰিত অৰুণ গগৈ, দক্ষিণ হেঙেৰাত ধৰিত্ৰী খাউণ্ড আৰু ব্ৰহ্মপুত্ৰ জিলা পৰিষদ সমষ্টিত হেলিনা পেগুক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। বোকাখাত বিধানসভা সমষ্টিৰ কাজিৰঙা জিলা পৰিষদত সীতা পানিকা, বোকাখাতত শ্ৰীৰাম দাস, মহুৰাত ৰশ্মি কাকলি, ৰঙামাটি জিলা পৰিষদত ৰঞ্জিত খণ্ডিতক প্ৰাৰ্থিত্ব দিয়া হৈছে। সৰুপথাৰ বিধানসভা সমষ্টিৰ সৰুপথাৰৰ জিলা পৰিষদত চম্পক ৰয়, নৱজ্যোতি নিৰদা বৰা গগৈ, মৰঙীত পূৰবী শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। গোলাঘাট বিধানসভা সমষ্টিৰ দৈয়াং জিলা পৰিষদত নিমিষা শইকীয়া সন্দিকৈ, ৰতনপুৰত নিবেদিতা হাজৰিকা, আঠগাঁৰত প্ৰবীণ বৰা আৰু ওৱাটিং জিলা পৰিষদত ৰাজশ্ৰী বৰাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। দেৰগাঁও বিধানসভা সমষ্টিৰ কাকডোঙা জিলা পৰিষদত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে জীনা বৰাক।

মৰাণত বিজেপি-কংগ্ৰেছ কৰ্মী

সাত পৃষ্ঠাৰ পৰা যুৱ মৰ্চাৰ ৰাজ্যিক সমিতিৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক ৰঞ্জন বিকাশ বৰগোহাঁই, বিজেপিৰ কিষাণ মৰ্চাৰ খোৱাং, ব্লক মণ্ডলৰ সম্পাদক মুনীন গগৈ, পথালিবাম গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউঞ্চিলৰ অৰুণ ক্ষেত্ৰ পালসহ দলটোৰ শতাধিক সক্ৰিয় নেতা-কৰ্মীয়ে অগপত যোগদান কৰে। অগপৰ সংখ্যালঘু পৰিষদৰ ৰাজ্যিক সভাপতি বিজু খানৰ সভাপতিত্বত অনুষ্ঠিত সভাত অগপৰ ডিব্ৰুগড় জিলাৰ সমিতিৰ সম্পাদক সঞ্জীৱ বৰুৱা, অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য কমল বৰগোহাঁইৰ লগতে বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। এনেদৰে বিজেপি জ্যেষ্ঠ কৰ্মী, নেতাই অগপত যোগদান কৰা ঘটনাই মৰাণৰ বিজেপিৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৰাণ বিধানসভা সমষ্টিৰ বিজেপিৰ বিধায়ক চক্ৰধৰ গগৈৰ স্বেচ্ছাচাৰিতা আৰু একনায়কত্ববাদৰ বাবেই বিজেপি ত্যাগ কৰি অগপত যোগদান কৰিছে বুলি ৰঞ্জন বিকাশ বৰগোহাঁই, অনিল বুঢ়াগোহাঁয়ে সাংবাদিকক জানিবলৈ দিছে। সভাত বহুকেইজন কংগ্ৰেছৰ কৰ্মীয়ে অগপত একেখন সভাতে যোগদান কৰে।

মাজেৰ চৰ চলাকুৰা গাঁও

সাত পৃষ্ঠাৰ পৰা দিয়ে। ইপিনে, প্ৰাৰ্থিত্বপ্ৰত্যাশীজনৰ সমদল আৰু তেওঁৰ সমৰ্থকে দিয়া হুংকাৰ ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে। ইপিনে, মনোনয়নপত্ৰ দাখিলৰ পূৰ্বেই নিৰ্বাচনী সমদল উলিয়াই কংগ্ৰেছৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীজনে নিৰ্বাচনী বিধি উলংঘা কৰিছে বুলি বিৰোধী দলবোৰে নিৰ্বাচন আয়োগৰ দৃষ্টিগোচৰ কৰিছে। ধনৰ টোপোলা লৈ দলীয় নেতৃত্বৰ পিছে পিছে দৌৰি নুফুৰি দলীয় টিকট লাভ কৰাৰ এনে অভিনৱ কৌশল গ্ৰহণ কৰা প্ৰাৰ্থিত্বপ্ৰত্যাশীজনৰ কাণ্ডই জোঁকাৰি গৈছে আন প্ৰাৰ্থিত্বপ্ৰত্যাশীসকলকো। এই ক্ষেত্ৰত কংগ্ৰেছৰ নেতৃত্বই প্ৰাৰ্থী বাছনিৰ ক্ষেত্ৰত কেনে পদক্ষেপ গ্ৰহণ কৰে, সেয়া হ'ব লক্ষ্যণীয় বিষয়।

চতিয়া সমষ্টিৰ দুকুৰিৰো অধিক ভোট

সাত পৃষ্ঠাৰ পৰা প্ৰাথমিক বিদ্যালয় ফৰেষ্ট ভিলেজ, দপদপি ৰংপুৰ প্ৰাথমিক বিদ্যালয় (দক্ষিণ) ফৰেষ্ট ভিলেজ, পশ্চিম মানশ্ৰী বড়ো প্ৰাথমিক স্কুল ফৰেষ্ট ভিলেজ, জেংভিল প্ৰাথমিক বিদ্যালয় ফৰেষ্ট ভিলেজ, গেৰুৱাজুলি প্ৰাথমিক বিদ্যালয় (পশ্চিম), যোগীবিল প্ৰাথমিক বিদ্যালয় (পূব) আৰু পশ্চিম অংশ ফৰেষ্ট ভিলেজ, লালবৰাহী এম ই স্কুল ফৰেষ্ট ভিলেজ, দপদপি ৰংপুৰ প্ৰাথমিক স্কুল (উত্তৰ) ফৰেষ্ট ভিলেজ, কইলাজুলি প্ৰাথমিক বিদ্যালয় (পূব) আৰু (পশ্চিম) অংশ ফৰেষ্ট ভিলেজ, মোলান পুখুৰী গড়মৰা পাহাৰ, কলনি বাগান, বগীজুলি প্ৰাথমিক বিদ্যালয়, মৰিয়নি আমলগা, জাগিবাৰী, অকাজুলি, উৰহি লগা, টেংগাবাৰী, দক্ষিণ ৰঙাগড়া, লালখাগৰি, ডফলাবিল আদি কৰি ইটাখোলা, জয়সিদ্ধি বালিজুৰি আদি ভোট কেন্দ্ৰসমূহ। সমষ্টিটোৰ একাংশ ৰাজনৈতিক দলৰ নেতা-কৰ্মীয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনত পুনৰ ৰিগিং হ'ব বুলি আশংকা কৰি ভোট কেন্দ্ৰসমূহত ভিডিঅ' কেমেৰা আৰু যথেষ্টসংখ্যক নিৰাপত্তাৰক্ষী দিবলৈ দাবী জনাইছে।

তেজপুৰত কংগ্ৰেছৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ

সাত পৃষ্ঠাৰ পৰা ধৰ্মীয় সংখ্যালঘু অঞ্চলত এ আই ইউ ডি এফক শক্তিহীন কৰিবলৈ গৈ কংগ্ৰেছে গ্ৰহণ কৰা কৌশল সম্প্ৰতি বুমেৰাঙত পৰিণত হৈছে দলটোৰ পক্ষে। ইপিনে, বিজেপি আৰু অগপ দলেও ইতিমধ্যে তেওঁলোকৰ প্ৰাৰ্থী তালিকা সাজু কৰিছে যদিও কংগ্ৰেছত অব্যাহত থকা ক্ষোভৰ পৰিৱেশৰ বাবেই দল দুটাই অন্তিম পৰ্যায়লৈ অপেক্ষা কৰিছে তেওঁলোকৰ প্ৰাৰ্থী তালিকা ঘোষণাৰ বাবে। অগপৰ প্ৰাৰ্থী তালিকাত নতুন-পুৰণি প্ৰাৰ্থীৰ সমাৱেশ ঘটিছে যদিও ইয়াৰে ভিতৰত একাংশ প্ৰাৰ্থী পূৰ্বে পঞ্চায়ত প্ৰতিনিধিৰূপে নিৰ্বাচিত হৈ কমিছন ভোগী তথা ঠিকাদাৰৰ ৰূপতহে অৱতীৰ্ণ হোৱা বুলি সৰ্বত্ৰে চৰ্চিত হৈছে। অৱশ্যে দলটোৰ নিম্ন পৰ্যায়ৰ ঠিকাদাৰৰূপী দলীয় কৰ্মীৰ হেঁচাৰ বাবেই এনে একাংশই দলটোৰ বেনাৰত পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ পথত অগ্ৰসৰ হৈছে তেজপুৰত।

দৰঙত কংগ্ৰেছ, বিজেপি, অগপ

সাত পৃষ্ঠাৰ পৰা আশ্ৰাফুল আলম আৰু লক্ষীমপুৰ টেঙাবাৰী জিলা পৰিষদত অৰ্চনা ডেকাৰ প্ৰাৰ্থিত্ব চূড়ান্ত হোৱা বুলি ঘোষণা কৰাৰ লগতে ১২১ টা ৱাৰ্ড সদস্য, ১৪ খন পঞ্চায়তত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰি প্ৰাৰ্থিত্ব চূড়ান্ত কৰা বুলি বি পি এফ নেতাদ্বয়ে জানিবলৈ দিয়ে। আনহাতে, বিগত কাৰ্যকালত দৰং জিলা পৰিষদ গঠনাত বিশেষ ভূমিকা লোৱা এ আই ইউ ডি এফে সাতটা সমষ্টিত প্ৰাৰ্থী চূড়ান্ত কৰিছে। দৰং জিলা এ আই ইউ ডি এফ দলে দলগাঁও সমষ্টিৰ বেছিমাৰীত ৰফিকুল ইছলাম, লালপুলত মমতাজ বেগম, শ্যামটিলা সমষ্টিত মচৰুদ্দিন আহমেদ, শ্যামপুৰত চুফিয়া বেগম, বিহুদিয়াত ছাজিদা পাৰবিন, মঙলদৈৰ ধূলাত আপ্টুছ জামানৰ এ আই ইউ ডি এফৰ প্ৰাৰ্থিত্ব চূড়ান্ত হৈছে। ইপিনে, কংগ্ৰেছ আৰু অগপই ১৪ টা সমষ্টিতে প্ৰাৰ্থীৰ আবেদন গ্ৰহণ কৰিছে যদিও এতিয়ালৈকে তালিকা চূড়ান্ত কৰিব পৰা নাই।

কাকপথাৰ গাঁও পঞ্চায়তত বিজেপিৰ

সাত পৃষ্ঠাৰ পৰা ৰাজনীতিৰ বাবেই তেওঁ টিকট পোৱাৰ পৰা বঞ্চিত হয় বুলি অভিযোগ কৰিছে। লগতে গম্ভীৰৰ লগতে একাংশ সাংগোপাংগৰে নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬ৰ বিৰুদ্ধে হোৱা প্ৰতিবাদী সভালৈ ৰাইজৰ স'তে যোৱাৰ বাবে দলবিৰোধী কাম কৰাৰো অভিযোগ আনিছে। বিজেপিৰ জাতিধ্বংসী বিধেয়কৰ বিৰুদ্ধে ৰাজ্যজুৰি যি আন্দোলন চলি আছে সেই আন্দোলনত অসমীয়া হিচাপে যোৱাটো অপৰাধ হ'ব পাৰে নেকি বুলি প্ৰশ্ন তোলে। তেওঁৰ মতে প্ৰথণতে অসমীয়া তাৰ পাছত দলীয় কৰ্মী। ইপিনে, গম্ভীৰ মৰাণে নিকৃষ্ট ৰাজনীতি কৰি একাংশ সাংগোপাংগৰ দ্বাৰা মিছা অভিযোগ তুলি নিজৰ পত্নীৰ নামত টিকট লোৱা বিষয়টো কোনোপধ্যে মানি ল'ব পৰা নাই হেমাৱতীৰ সমৰ্থনকাৰীসকলে। যিহেতু বিগত সময়ত গম্ভীৰে ব্লক মণ্ডলৰ সভাপতি হৈ বিভিন্ন ঠিকা- ঠুকলি কৰি আহিছে। পত্নীক টিকট দি পৰৱৰ্তী সময়ত পঞ্চায়তখনত একনায়কত্ববাদ চলাবৰ বাবে পৰিকল্পনা কৰা বুলিও অভিযোগ উত্থাপন কৰে।

বৰপেটা অগপই মিত্ৰতা নকৰে পঞ্চায়ত

সাত পৃষ্ঠাৰ পৰা নেতাসকলে পুৰণি তথা নিষ্ঠাবান কৰ্মীসকলক আস্থাত লৈ পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি চলাইছে। জিলা পৰিষদৰ পৰা আৰম্ভ কৰি গাঁও পঞ্চায়তৰ সদস্য পদলৈকে প্ৰতিটো পদতে দলটোৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলীয় টিকট প্ৰদানৰ ক্ষেত্ৰত পুৰণি তথা নিষ্ঠাৱান কাৰ্যকৰ্তাক অগ্ৰাধিকাৰ দিয়া হ'ব। ইপিনে, পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি কংগ্ৰেছ দলে বিশেষ তৎপৰতা আৰম্ভ কৰিছে। জিলাখনত পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু অগপৰ মিত্ৰতা নোহোৱাটো খাটাং হৈ পৰাত ইয়াৰ সুযোগ গ্ৰহণ কৰাৰ বাবে তৎপৰ হৈ পৰিছে কংগ্ৰেছ দল। বিশেষকৈ জিলাখনৰ ধৰ্মীয় সংখ্যালঘু বসতি প্ৰধান পঞ্চায়ত অঞ্চলত সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে উঠিপৰি লাগিছে কংগ্ৰেছে। জিলাখনৰ জনীয়া, বাঘবৰ, সৰুক্ষেত্ৰী আৰু চেঙা বিধানসভা সমষ্টি কংগ্ৰেছৰ দখলত আছে। সমষ্টিকেইটাৰ কংগ্ৰেছী বিধায়কসকলে নিজ সমষ্টিত পঞ্চায়ত দখলৰ বাবে বিশেষ প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ বিপৰীতে পঞ্চায়ত নিৰ্বাচনক লৈ নিষ্প্ৰভ দেখা গৈছে এ আই ইউ ডি এফ দলত। বিগত পঞ্চায়ত নিৰ্বাচনত বৰপেটা জিলা পৰিষদ গঠন কৰিবলৈ সক্ষম হোৱা এ আই ইউ ডি এফে জিলাখনৰ অধিকাংশ পঞ্চায়ত দখল কৰিবলৈ সক্ষম হৈছিল যদিও যোৱা বিধানসভা নিৰ্বাচনত দলটোৱে সংখ্যালঘু বসতি প্ৰধান সমষ্টিকেইটাতে ব্যৰ্থ হৈছিল।পৃষ্ঠাত চাওক লৰ জিলা পৰ্যায়ৰ নেতাসকলে পুৰণি তথা নিষ্ঠাবান কৰ্মীসকলক আস্থাত লৈ পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ প্ৰস্তুতি চলাইছে। জিলা পৰিষদৰ পৰা আৰম্ভ কৰি গাঁও পঞ্চায়তৰ সদস্য পদলৈকে প্ৰতিটো পদতে দলটোৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলীয় টিকট প্ৰদানৰ ক্ষেত্ৰত পুৰণি তথা নিষ্ঠাৱান কাৰ্যকৰ্তাক অগ্ৰাধিকাৰ দিয়া হ'ব। ইপিনে, পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি কংগ্ৰেছ দলে বিশেষ তৎপৰতা আৰম্ভ কৰিছে। জিলাখনত পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু অগপৰ মিত্ৰতা নোহোৱাটো খাটাং হৈ পৰাত ইয়াৰ সুযোগ গ্ৰহণ কৰাৰ বাবে তৎপৰ হৈ পৰিছে কংগ্ৰেছ দল। বিশেষকৈ জিলাখনৰ ধৰ্মীয় সংখ্যালঘু বসতি প্ৰধান পঞ্চায়ত অঞ্চলত সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে উঠিপৰি লাগিছে কংগ্ৰেছে। জিলাখনৰ জনীয়া, বাঘবৰ, সৰুক্ষেত্ৰী আৰু চেঙা বিধানসভা সমষ্টি কংগ্ৰেছৰ দখলত আছে। সমষ্টিকেইটাৰ কংগ্ৰেছী বিধায়কসকলে নিজ সমষ্টিত পঞ্চায়ত দখলৰ বাবে বিশেষ প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ বিপৰীতে পঞ্চায়ত নিৰ্বাচনক লৈ নিষ্প্ৰভ দেখা গৈছে এ আই ইউ ডি এফ দলত। বিগত পঞ্চায়ত নিৰ্বাচনত বৰপেটা জিলা পৰিষদ গঠন কৰিবলৈ সক্ষম হোৱা এ আই ইউ ডি এফে জিলাখনৰ অধিকাংশ পঞ্চায়ত দখল কৰিবলৈ সক্ষম হৈছিল যদিও যোৱা বিধানসভা নিৰ্বাচনত দলটোৱে সংখ্যালঘু বসতি প্ৰধান সমষ্টিকেইটাতে ব্যৰ্থ হৈছিল।

মাৰ্ঘেৰিটাত পথতে জ্বলিল কয়লা ট্ৰাক

এক পৃষ্ঠাৰ পাৰ ঘটনাস্থলীত আন কে'বাখনো কয়লাভৰ্তি ট্ৰাক আৰু সমীপতে তেল ডিপ'টো থকা সত্ত্বেও কোনো বৃহৎ অঘটন নোহোৱাকৈ অঞ্চলটো ৰক্ষা পৰে।

ঘটনাৰ বিৱৰণি অনুসৰি, তেল ডিপ'টোৰ সমীপতে ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথত ৰখাই থোৱা কে'বাখনো কয়লাভৰ্তি ট্ৰাকৰ ভিতৰত এইছ আৰ-৬১ এ-৯৫৮৮ নম্বৰৰ ১৮টা চকাযুক্ত কেঁচা কয়লা বোজাই কৰা ট্ৰাকখন হঠাৎ দাউদাউকৈ জ্বলি উঠে। ফলত কে'বাখনো কেঁচা কয়লাভৰ্তি ট্ৰাক ৰখাই থোৱা অঞ্চলটোত হুৱাদুৱা লাগে। ঘটনাৰ বিষয়ে অৱগত হৈ অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী আহি অগ্নি নিৰ্বাপন কৰে। অৱশ্যে তেতিয়ালৈ ট্ৰাকখনৰ সন্মুখ ভাগৰ যন্ত্ৰপাতিৰ লগতে কেবিনটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ট্ৰাকত অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও পোহৰলৈ অহা নাই। অৱশ্যে ইঞ্জিনৰ বিজুতিৰ ফলতে জুইৰ সূত্ৰপাত হোৱাৰ ধাৰণা কৰিছে স্থানীয় লোকে।